যোৰহাট কলেজত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদ্‌যাপন

যোৰহাট, ৩ ছেপ্টেম্বৰ ঃ যোৰহাট কলেজ (একত্রিত)-ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ (আই কিউ এচি)-ৰ উদ্যোগত ২৯ আগষ্টত মহাবিদ্যালয়খনৰ ক্রীড়া চৰ্চা আৰু ৰাষ্ট্রীয় সেৱা আঁচনি (এনএছএছ) গোটৰ যৌথ সৌজন্যত ৰুচা আলোচনা কক্ষত ৰাষ্ট্রীয় ক্রীড়া দিৱস উপলক্ষে এক বিশেষ কার্যসূচী অনুষ্ঠিত হয়। উদ্বোধনী ভাষণত ড° তৰুণ লয়িঙে হকীৰ যাদুকৰ মেজৰ ধ্যানচান্দৰ কালজয়ী সাফল্যৰ কথা সোঁৱৰাই দিয়ে, যাৰ জন্মজয়ন্তী উপলক্ষে সমগ্র দেশজুৰি ৰাষ্ট্রীয় ক্রীড়া দিৱস পালন কৰা হয়। সমল ব্যক্তি হিচাপে মূল ভাষণ প্রদান কৰি ইতিহাস বিভাগৰ সহকাৰী অধ্যাপক তথা মুৰব্বী বক্তিম জ্যোতি হাজৰিকাই ভাৰতৰ ক্রীড়া আৰু খেলৰ ঐতিহাসিক ঐতিহ্যৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। মেজৰ ধ্যানচান্দৰ যুগান্তকাৰী অৱদানৰ কথা উল্লেখ কৰি তেওঁ ভাৰতীয় ক্রীড়াক্ষেত্রৰ গাঠনিক প্রত্যাহ্বানসমূহক লৈ উদ্বেগ প্রকাশ কৰে। ক্রিকেটৰ অভূতপূর্ব জনপ্রিয়তাই প্রায়ে আন ক্রীড়াসমূহৰ বিকাশত বাধাৰ সৃষ্টি কৰিছে বুলি তেওঁ উল্লেখ কৰে। চলিত বর্ষৰ মূল বিষয়বস্তুৰ সৈতে সংগতি ৰাখি হাজৰিকাই সকলো ক্রীড়া ক্ষেত্রৰ খেলুৰেক সক্রিয়ভাৱে সমর্থন জনাবলৈ ৰাইজৰ প্রতি আহ্বান জনায়। আইকিউএচি-ৰ সহ-সমন্বয়ক ড° শুভ্রজ্যোতি চন্দই ফিফা বিশ্বকাপ, হকী চেম্পিয়নশ্বিপ আৰু অলিম্পিক গেমছক ধৰি মুখ্য বিশ্বৰ সন্মিলিত ক্রীড়া প্রতিযোগিতাসমূহ ত ধাৰাবাহিকভাৱে আধিপত্য বিস্তাৰ কৰাত ভাৰতৰ যি সংগ্রাম, সেই বিষয়ে আলোকপাত কৰে। ভাৰ-বিনিময় খণ্ডত ক্রিকেট, কৰাটে, ফুটবল, ফেন্সিং, বক্সিং আৰু আর্ম ৰেছলিং আদি বিভিন্ন খেলত ৰাজ্যিক আৰু ৰাষ্ট্রীয় পর্যায়ত যোৰহাট কলেজক প্রতিনিধিত্ব কৰা কেইবাজনো শিক্ষার্থীয়ে তেওঁলোকৰ নিখুঁত অনুশীলন প্রক্রিয়াৰ অভিজ্ঞতা ভাগ-বাটোৰাৰা কৰে। বহুসংখ্যক ক্রীড়াবিদ-শিক্ষার্থীয়ে প্রকাশ কৰে যে বিত্তীয় সাহায্য তথা পৃষ্ঠপোষকতাৰ অভাৱৰ বাবে তেওঁলোকে সঘনাই খেলৰ প্রস্তুতি আধাতে সামৰিবলৈ বাধ্য হয়। তৃণমূল পর্যায়ৰ এই প্রত্যাহ্বানসমূহ সমাধানৰ দিশত সমাজতত্ত্ব বিভাগৰ মুৰব্বী ড° বিশ্বজিত বৰাই ৰাষ্ট্রীয় পর্যায়ত অংশগ্রহণ কৰিব বিচৰা উদীয়মান ছাত্র-ক্রীড়াবিদসকলক সহায় কৰিবলৈ এটা বিশেষ 'ক্রীড়া পুঁজি' গঠনেৰে সকলোকে আগবাঢ়ি আহিবলৈ আহ্বান জনায়।